**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ৰাষ্ট্ৰ বিৰোধী মন্তব্য কৰাৰ বাবে ৰাজ্যৰ ১৫ জন লোকক গ্ৰেপ্তাৰ।
২। ডিব্ৰুগড়ত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দুখন নৱনিৰ্মিত উৰণ সেতু মুকলি।
৩। আজি দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত।
৪। ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে উৎপাদিত সামগ্ৰীৰ মান বৰ্তাই ৰখাত ৰাজ্যৰ তিনিগৰাকী বিশিষ্ট উদ্যমীৰ গুৰুত্ব আৰোপ। **আৰু**
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত পাঞ্জাব কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত।

০০০০০০

কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ৰাষ্ট্ৰ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান অব্যাহত ৰাখিছে। পহলগামৰ নৃশংস ঘটনাৰ সন্দৰ্ভত সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত এইপৰ্যন্ত ১৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। কালি নগাঁও জিলাৰ চামগুৰিত মাছুম আজাহাৰ নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰা হয়। সামাজিক মাধ্যমত পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত হোজাই আৰক্ষীয়ে মকছিদুল আলমক গ্ৰেপ্তাৰ কৰে। একেদৰে অনুৰূপ অভিযোগত গুৱাহাটীৰ পৰা ডিম্পল বৰুৱা, শ্ৰীভূমি জিলাৰ কালিগঞ্জৰ পৰা মুস্তাক আহমেদক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কামৰূপ জিলাৰ হাজোৰ পৰা আন এজন লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেশ বিৰোধী মন্তব্য কৰা লোকক গ্ৰেপ্তাৰ কৰা হ'ব। সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত দুখন উৰণ সেতু মুকলি কৰিব। পুৰণি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে কনভয় ৰোডৰ সংযোগস্থলত নৱনিৰ্মিত ড০ লীলা গগৈ উৰণ সেতু আৰু মানকাটা পথৰ থানা চাৰিআলিত বাগ্মীবৰ নীলমণি ফুকন উৰণ সেতু ৰাইজৰ বাবে মুকলি কৰা হ'ব। ৫৬ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ড০ লীলা গগৈ উৰণ সেতুৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৬১৫ মিটাৰ। ৬০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বাগ্মীবৰ নীলমণি ফুকন উৰণ সেতুৰ মুঠ দৈৰ্ঘ্য প্ৰায় ৪৫০ মিটাৰ। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ তিনিচুকীয়াৰ বাৰেকুৰি আৰু লাংকাচেত নিৰ্বাচনী প্ৰচাৰ চলায়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰি বিধানসভাৰ অন্তৰ্গত কেইবাটাও এলেকাত আয়োজিত নিৰ্বাচনী সভাত অংশ লয়। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিদিনে নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ বিশ্বনাথত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডা০ ৰণোজ পেগুৱে ধেমাজি জিলাত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে কালি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটাকৈ পঞ্চায়তত আয়োজিত কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ জীয়াধল, হাতীগড়, বাটঘৰীয়া আৰু লক্ষীপথাৰ গাঁও পঞ্চায়তত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

মন্ত্ৰী অতুল বৰাই গোলাঘাট জিলাৰ কেইবাটাও প্ৰান্তত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

একেদৰে কংগ্ৰেছকে ধৰি অন্যান্য বিৰোধী দলসমূহেও পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালি **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিৰ কচুমাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

বিধায়ক অখিল গগৈয়ে লখিমপুৰ জিলাৰ কেইবাটাও অঞ্চলত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নগাঁও জিলাৰ ৯ খন বিদ্যালয়ত একাদশ শ্ৰেণীৰ নামভৰ্তিৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে। চলিত বৰ্ষৰ একাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ প্ৰশ্নকাকতৰ অকৰ্তৃত্বশীলভাৱে ব্যৱহাৰ তথা আগতীয়াকৈ ৰাজহুৱা কৰাৰ লগতে ছীল ভঙাৰ অভিযোগত পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰে। এই বিদ্যালয়সমূহত ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে নামভৰ্তিৰ সকলো প্ৰক্ৰিয়া স্থগিত ৰখাৰ বাবে পৰিষদে নিৰ্দেশ দিছে। বগৰিগুৰি এডভান্স একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, আলফা-বিটা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, এছ এ এছ ইণ্টাৰনেচনেল মডেল স্কুল, শংকৰদেৱ বিদ্যা নিকেতন, কঠিয়াতলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, প্ৰিমিয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, ষ্টাৰলাইট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, ছুফি-ছুলতান আহমেদ একাডেমী আৰু ৰহাৰ শংকৰদেৱ বিদ্যা নিকেতনৰ বিৰুদ্ধে এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। ইপিনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত দুৰ্বল প্ৰদৰ্শন কৰা জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষক ৫ মে'ৰ ভিতৰত কৈফিয়ৎ দিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে উৎপাদিত সামগ্ৰীৰ গুণগতমান বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰিব লাগিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে দৃষ্টিপাত অনুষ্ঠান অংশগ্ৰহণ কৰি কালি ৰাজ্যৰ তিনিগৰাকী বিশিষ্ট উদ্যমীয়ে এইদৰে মন্তব্য কৰে। অনুষ্ঠানত **জে-ফৰটিন** ৰেষ্টুৰেণ্ট ব্ৰেণ্ডৰ স্বত্তাধিকাৰী দেৱ কুমাৰ বৰ্মনে কয়, যে কোনো মেনেজাৰ নিয়োগ কৰি বা আন কৰ্মচাৰীৰ জৰিয়তে এটা ব্ৰেণ্ড প্ৰতিষ্ঠা কৰিব পৰা নাযায়, সেই কাম উদ্যমীয়ে নিজেই কৰিব লাগিব।

*(বাইট ঃ দেৱ কুমাৰ বৰ্মন)*

নিজৰ সফলতাৰ বিষয়ে উল্লেখ কৰি থলুৱাভাৱে উৎপাদিত কণীৰ ব্ৰেণ্ড **বাহুবলী**ৰ স্বত্তাধিকাৰী আকাশ গগৈয়ে কয়, যে সামগ্ৰীৰ গুণগত মান উন্নত হ'লে থলুৱা ব্ৰেণ্ডৰ সামগ্ৰীয়ে বাহিৰা ব্ৰেণ্ডৰ সামগ্ৰীৰ সৈতে ফেৰ মাৰিব পাৰে।

*(বাইট ঃ আকাশ গগৈ)*

শ্ৰীগগৈয়ে লগতে ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে নিৰ্ধাৰণ কৰা মান বজাই ৰাখি দৈনিক গড়ে এক লাখ কণী উৎপাদন কৰাৰ লগতে কমেও এশ জন লোকক কৰ্মসংস্থাপন দিবলৈ সমৰ্থ হৈছে বুলি জানিবলৈ দিয়ে।

**সুস্বাদ** মিঠাতেল ব্ৰেণ্ডৰ স্বত্তাধিকাৰী সমৰজ্যোতি বেজবৰুৱাই কয়, যে অসমৰ ৰাইজৰ ৰান্ধনীঘৰত অধিক ব্যৱহৃত সামগ্ৰী মিঠাতেলৰ ক্ষেত্ৰতেই ভেজালৰ পৰিমাণ সৰ্বাধিক। উদ্যমীগৰাকীয়ে কয়, যে তেওঁলোকৰ ব্ৰেণ্ডে ইয়াৰ বিকল্প হিচাপে বিশুদ্ধ মিঠাতেল উৎপাদনৰ ক্ষুদ্ৰ প্ৰয়াস আৰম্ভ কৰিছে।

*(বাইট ঃ সমৰজ্যোতি বেজবৰুৱা)*

অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ৰাজ্য চৰকাৰে বানৰ বিৰূপ প্ৰভাৱ কম কৰাৰ বাবে তিনি হাজাৰ ৬৩৪ কোটি টকাৰ বহুমুখী ৰণনীতি গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় বান আয়োগে প্ৰকাশ কৰা মতে অসমৰ প্ৰায় ৩১ হাজাৰ ৫০০ বৰ্গ কিলোমিটাৰ এলেকা বান প্ৰৱন। আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনৰ বান প্ৰৱন এলেকাৰ পৰিমাণ মুঠ ভূ-ভাগৰ প্ৰায় ৩৯ দশমিক ৫-৮ শতাংশ আৰু দেশৰ মুঠ বানপ্ৰৱন এলেকাৰ ৯ দশমিক ৪-০ শতাংশ। আয়োগৰ প্ৰতিবেদনত লগতে ১৯৫০ চনৰ পৰা ৰাজ্যৰ প্ৰায় ৪ লাখ ২৭ হাজাৰ হেক্টৰ ভূমি খহনীয়াত জাহ গৈছে। ৰাজ্য চৰকাৰে মথাউৰি আৰু বান প্ৰতিৰোধী দেৱাল নিৰ্মাণ কৰি নগৰাঞ্চলৰ সুৰক্ষাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে নলা-নৰ্দমাৰ উন্নয়ন, গে'দ আঁতৰাই নৈৰ প্ৰবাহ বোৱাই ৰখাত আৰু নৈৰ পাৰৰ সুৰক্ষা নিশ্চিত কৰা হৈছে। এই কামৰ বাবে চৰকাৰে বিশ্ববেংক, এছিয় বিকাশ বেংক আৰু নাবাৰ্ডৰ পৰা পুঁজি লাভ কৰিছে।

০০০০০০

শোণিতপুৰ জিলাৰ দৰং মহাবিদ্যালয়ত **বহনক্ষম উন্নয়নৰ দিশত যুৱক প্ৰজন্মৰ ভূমিকা** শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ কালি অনুষ্ঠিত হয়। বায়ু প্ৰদূষণ, প্লাষ্টিক আৱৰ্জনাৰ কু-প্ৰভাৱ, আৱৰ্জনা সমস্যাৰ ব্যৱস্থাপনা আদি সম্পৰ্কে সজাগতা সৃষ্টিৰে এই আলোচনা চক্ৰ অনুষ্ঠিত হয়। দেশৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ

৪৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই আলোচনা চক্ৰত অংশগ্ৰহণ কৰে। আলোচনা চক্ৰ উদ্বোধনী অনুষ্ঠানত পৃথ্বীৰাজ ৰাভাৰ লগতে কেইবাগৰাকী পৰিৱেশ সম্পৰ্কীয় বিজ্ঞানী আৰু পৰিৱেশ সচেতন ব্যক্তিয়ে অংশ লয়।

০০০০০০

তিনিচুকীয়াৰ কাকপথাৰত উলহ-মালহেৰে কালি মৰাণ জনগোষ্ঠীৰ সকলে ৰাতি বিহু উদযাপন কৰে। মন্ত্ৰী পীযূষ হাজৰিকাই এই কাৰ্যসূচীত অংশ লৈ সকলোৰে জীৱন সমৃদ্ধিশালী হোৱাৰ কামনা কৰে। বিধায়ক বলীন চেতিয়া, প্ৰাক্তন বিধায়ক দিলীপ মৰাণকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত অংশ লয়।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত পাঞ্জাৱ কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মাজত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। কলকাতা নাইট ৰাইডাৰ্ছে ২০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি এক অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৭ ৰান সংগ্ৰ কৰা অৱস্থাত বৰষুণে খেলখনত বিধিপথালি দিয়ে। ইয়াৰ পূৰ্বে পাঞ্জাৱ কিংছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেটৰ বিনিময়ত ২০১ ৰান সংগ্ৰহ কৰে। পাঞ্জাৱৰ হৈ প্ৰিয়াঙ্গ আৰ্যই ৬৯ আৰু প্ৰভছিমৰন সিঙে ৮৩ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰাই দুটা উইকেট দখল কৰে। পাঞ্জাৱ কিংছে বৰ্তমানলৈকে ৯ খন খেলৰ পৰা ১১ পইণ্ট লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। কলকাতা নাইটৰাডাৰ্ছ সমসংখ্যক খেলৰ পৰা ৭ পইণ্ট অৰ্জন কৰি সপ্তাম স্থানত আছে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মুম্বাইত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে সাত বজাত দিল্লীত হ'বলগীয়া আজিৰ দ্বিতীয়খন খেলত ডেলহী কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

০০০০০০

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত পাকিস্তানৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা কঠোৰ সিদ্ধান্তৰ প্ৰতিকূল প্ৰভাৱৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে পহলগামৰ নৃশংসতাৰ প্ৰত্যুত্তৰত ভাৰতৰ জলযুদ্ধত দিশহাৰা পাকিস্তান শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

১৪ হাজাৰ ৬৯ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্যৰে অৰুণাচল প্ৰদেশত ১৪ টা, নাগালেণ্ড আৰু মেঘালয়ত এটাকৈ মুঠ ১৬ টা জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ প্ৰস্তুতিৰ বাতৰিক দৈনিক অসম কাকতে অসমৰ নামনিত বাজিব বিপদ ঘণ্টা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ খণ্ড উন্নয়ন বিষয়া, প্ৰকল্প সঞ্চালক অভিযন্তাৰ পৰা পঞ্চায়ত সভাপতি সচিবলৈ দুৰ্নীতিত জড়িত থকাৰ কথা তদাৰকি আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা এখন পত্ৰত প্ৰকাশ পোৱা বুলি এটা বাতৰি দৈনিক জনমভূমি কাকতে ৪ জিলাত অনুসন্ধান, গোচৰৰ অনুমোদন বিচাৰি চৰকাৰলৈ ভিজিলেন্সৰ পত্ৰ, গ্ৰামোন্নয়নত ৬০০ কোটিৰ কেলেংকাৰী শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

খ্ৰীষ্টান ধৰ্মৰ ২৬৬ সংখ্যক মুৰববী পোপ ফ্ৰান্সিছক অনাড়ম্বৰভাৱে সমাধিস্থ কৰাৰ বাতৰিক আমাৰ অসম কাকতে **ভেটিকানৰ বাহিৰত সমাধিস্থ পোপ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোক দ্যা ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

পঞ্চায়ত নিৰ্বাচন উপলক্ষে অসম প্ৰদেশ বিজেপিয়ে প্ৰকাশ কৰি উলিওৱা সংকল্প পত্ৰ মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো দৈনিক অগ্ৰদূত কাকতেও মুখ্য বাতৰিৰ স্থান দিছে।

জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ সন্দৰ্ভত সামাজিক মাধ্যমত বিতৰ্কিত মন্তব্য কৰা লোকসকলৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযানৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইউক্ৰেইন যুদ্ধ সন্দৰ্ভত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে পূব ফ্ৰান্সিছৰ শেষকৃত্যৰ পূৰ্বে আলোচনা কৰাৰ বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত